NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য প্ৰদেশৰ জবলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে দেশৰ সাংস্কৃতিক জ্ঞানৰ বৈচিত্ৰতা মহান সাধুসকলৰ শিকনিৰ সৈতে সমন্বয়ৰ সূতাৰে বান্ধ খাই আছে।

৩। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙে ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ মূল্যায়নৰ উদ্দেশ্যে আজি এখন বৈঠকত মিলিত হয়।

৪। ন'ৰৱেৰ লেখক, নাট্যকাৰ জন ফঁছেলৈ চলিত বছৰৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৩টা ব্ৰঞ্জসহ মুঠ ৮৬টা পদক লাভ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য প্ৰদেশৰ জবলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে বীৰাংগনা ৰাণী দুৰ্গাৱতী স্মাৰকৰ ভূমি পূজনতো ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে ৰাণী দুৰ্গাৱতীৰ স্মৃতিত এটা ডাক-টিকটো উন্মোচন কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে দেশৰ মহান ব্যক্তি আৰু জনজাতীয় সমাজলৈ সন্মান প্ৰদান কৰিবলৈ পাহৰি গৈছিল আৰু তেওঁ কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে প্ৰথমে জনজাতীয় মন্ত্ৰালয় গঠন কৰিছিল আৰু জনজাতীয় সমাজক সন্মান প্ৰদান কৰিছিল। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰে চৰকাৰৰ পৰিসংখ্যাৰ পৰা ১১ কোটি ভুৱা নাম আঁতৰ কৰিছে আৰু ইয়াৰ ফলত কোষাগাৰৰ ধনৰ লুণ্ঠন বন্ধ হৈছে। বৰ্তমান চৰকাৰে জন-ধন, আধাৰ আৰু ম'বাইল ব্যৱহাৰৰ জৰিয়তে ২ লাখ ৫০ হাজাৰ কোটি টকা চুৰি হোৱাৰ পৰা ৰক্ষা কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সম্প্ৰতি মধ্য প্ৰদেশ এনে এটা সন্ধিক্ষণত থিয় হৈ আছে যে উন্নয়নৰ গতি স্তব্ধ হ'লেই ৰাজ্যখন বিপৰ্যয়ৰ সন্মুখীন হ'ব। পৰৱৰ্তী ২৫ টা বছৰ অতিকে গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে এয়া কঠোৰ পৰিশ্ৰম কৰা আৰু সঠিক সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ সাংস্কৃতিক জ্ঞানৰ বৈচিত্ৰতা মহান সাধুসকলৰ শিকনিৰ সৈতে সমন্বয়ৰ সূতাৰে বান্ধ খাই আছে। দেশৰ মহান সাধুসকলৰ শিকনিসমূহে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ সমূহীয়া অৱধাৰণা অধিক শক্তিশালী কৰে বুলি তেওঁ মন্তব্য কৰে। শ্ৰী ৰামলিংগা স্বামীৰ ২০০ সংখ্যক জয়ন্তী উপলক্ষে দিয়া এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে শ্ৰী ৰামলিংগা স্বামী দেশৰ আটাইতকৈ সন্মানীয়  সাধুসকলৰ অন্যতম আছিল। ১৯ শতিকাত জন্মগ্ৰহণ কৰা এই সাধুগৰাকীৰ আধ্যাত্মিক দৃষ্টিভংগীয়ে আজিও লাখ লাখ লোকক অনুপ্ৰেৰণা যোগাই আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয় যে শ্ৰী ৰামলিংগাৰ প্ৰভাৱ সমগ্ৰ বিশ্বত বিদ্যমান আৰু ভালেমান সংগঠনে তেওঁৰ চিন্তাৰাজিক লৈ কাম কৰি আছে। ৰাষ্ট্ৰীয় শিক্ষানীতি সন্দৰ্ভত মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে উদ্ভাৱন, গৱেষণা আৰু উন্নয়নত গুৰুত্ব আৰোপেৰে এই নীতিয়ে সমগ্ৰ শিক্ষা প্ৰেক্ষাপট সলনি কৰিছে। বিগত ৯ বছৰত দেশত অভিলেখসংখ্যক বিশ্ববিদ্যালয়, অভিযান্ত্ৰিক আৰু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলে সম্প্ৰতি নিজৰ স্থানীয় ভাষাত অধ্যয়ন কৰিয়েই চিকিৎসক আৰু অভিযন্তা হোৱাৰ সুযোগ লাভ কৰিছে। এই পৱিত্ৰ দিন উপলক্ষে প্ৰধানমন্ত্ৰীয়ে শ্ৰী ৰামলিংগাৰ আদৰ্শৰাজি পূৰণ কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে আৰু সকলোকে সাধুগৰাকীৰ মৰম, ভালপোৱা, দয়া আৰু ন্যায়ৰ বাৰ্তা বিয়পাবলৈ আহ্বান জনায়।

০০০০০০০

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙে আজি ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ মূল্যায়নৰ উদ্দেশ্যে এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত ৰাজ্যখনৰ মুখ্য সচিব ডি ভি পাঠক আৰু অন্য বিষয়াসকল উপস্থিত থাকে। বৈঠকত শ্ৰীপাঠকে মুখ্যমন্ত্ৰী টামাঙক উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসনৰ বাবে ভাৰতীয় সেনা আৰু সংশ্লিষ্ট সংস্থাসমূহৰ সহযোগত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে অৱগত কৰে। মুখ্যমন্ত্ৰী টামাঙে ঘটনাৰ পুংখানুপুংখ অধ্যয়ন আৰু ভৱিষ্যতৰ বাবে বিশদ পৰিকল্পনা যুগুতাই উলিওৱাৰ উদ্দেশ্যে বিষয় বিশেষজ্ঞ, বিজ্ঞানী, পৰিৱেশবিদ, জলবিদ্যুৎ বিশেষজ্ঞ, অভিযন্তা নাগৰিক সমাজৰ সদস্য হিমবাহ বিশেষজ্ঞ আৰু বান্ধ বিশেষজ্ঞক লৈ এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। শ্ৰী টামাঙে লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ অবৈধ মজুতকৰণৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকিয়াই দিছে। তেওঁ কয় যে অভিযোগ দাখিল কৰাৰ বাবে ৰেংপো, চিংটাম আৰু মংগমত ওজৰ-আপত্তি  নিষ্পত্তি কেন্দ্ৰ স্থাপন কৰা হ'ব। অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা বছা বছা বাহনসমূহৰ সুগম আহ-যাহ সুনিশ্চিত কৰাৰ বাবে এখন জিলা সমিতি গঠন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে 'টচ'ম্‌গ' বাবা মন্দিৰ আৰু নাথুলাৰ দৰে পৰ্যটন এলেকাসমূহৰ বাবে অনুজ্ঞা পত্ৰ কাইলৈৰ পৰা বন্ধ থাকিব। তেওঁ কয় যে আশ্ৰয় শিবিৰত থকা লোকসকলক বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হ'ব। শ্ৰী টামাঙে লগতে মংগন, গেংটক, পাকিয়ং আৰু নামচি জিলাৰ বিদ্যালয়সমূহৰ লগতে সকলো চৰকাৰী, ব্যক্তিগত মহাবিদ্যালয় পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত বন্ধ থাকিব। পাকিয়ং, চিংটাম আৰু দিক্‌চুত শীঘ্ৰেই বিদ্যুৎ আৰু পানী যোগান বাহাল কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে সঠিক তথ্য প্ৰদান আৰু উৰা-বাতৰি বন্ধ কৰাৰ উদ্দেশ্যে প্ৰতিদিনে বিয়লি মুখ্য সচিবৰ কাৰ্যালয়ৰ পৰা প্ৰেছ টোকা জাৰি কৰা হ'ব।

০০০০০০০

ন’ৰৱেৰ লেখক, নাট্যকাৰ জন ফঁছেলৈ চলিত বছৰৰ সাহিত্যৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ছুইডিছ অকাডমীয়ে প্ৰকাশ কৰা মতে লেখকগৰাকীয়ে তেওঁৰ অভিনৱ নাটক আৰু গদ্য ৰচনাৰে মানুহৰ মনৰ অস্ফুট কথাক তুলি ধৰাৰ স্বীকৃতি স্বৰূপে এই বঁটা আগবঢ়োৱা হৈছে। শ্ৰীফঁছেই বিশ্বৰ আটাইতকৈ জনপ্ৰিয় নাট্যকাৰসমূহৰ অন্যতম আৰু তেওঁ অপূৰ্ব গদ্যশৈলীৰ বাবে জনাজাত। সাহিত্যিকগৰাকীয়ে মানৱীয় স্থিতিক তেওঁৰ ৰচনাৰ মূল বিষয়বস্তু হিচাপে লৈ আহিছে। ন’বেল বঁটা কমিটীয়ে কৈছে যে জন ফঁছে তেওঁৰ ৰচনাৰাজিৰ মাজেৰে জনসাধাৰণৰ জীৱনৰ দৈনন্দিন পৰিস্থিতিসমূহ সুন্দৰ ৰূপত তুলি ধৰি আহিছে। তেওঁ মানৱীয় ভাৱনাক সৰল শব্দত প্ৰকাশ কৰে। ১৯৮৩ চনত ৰেড-ব্লেক নামৰ উপন্যাসেৰে জন ফঁছে উপন্যাসিক হিচাপে যাত্ৰা আৰম্ভ কৰিছিল।

ooooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কৈছে যে চৰকাৰে সামৰ্থ্য বৃদ্ধিত বিশেষ গুৰুত্ব আৰোপ কৰিছে, কিয়নো কৰ্মশক্তিৰ বাবে ই অতিকে জৰুৰী। নতুন দিল্লীত আজি স্থানীয় নগৰ নিকায়ৰ সামৰ্থ্য বৃদ্ধি সম্পৰ্কীয় ৰাষ্ট্ৰীয় কৰ্মশালাত ভাষণ দি এইদৰে মন্তব্য কৰে। শ্ৰীপুৰীয়ে কয় যে পূৰ্বতে সামৰ্থ্য বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হোৱা নাছিল যদিও সম্প্ৰতি দেশত সামৰ্থ্য বৃদ্ধি আয়োগ গঠন কৰা হৈছে। তেওঁ কয় যে ২০০৪-ৰ পৰা ২০১৪ চনলৈ নগৰ অঞ্চলৰ সকলো আঁচনিৰ নামত ১ লাখ ৭৮ হাজাৰ কোটি টকা ব্যয় কৰা হৈছিল। কিন্তু বিগত ৯ বছৰত এনে আঁচনিৰ বাবদ ১৮ লাখ কোটিৰো অধিক টকা ব্যয় কৰা হৈছে। শ্ৰীপুৰীয়ে কয় যে স্বচ্ছ ভাৰত অভিযানে বৃহৎ পৰিৱৰ্তনৰ সূচনা কৰিছে আৰু দেশত আচৰণগত পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই উপলক্ষে  প্ৰধানমন্ত্ৰীৰ উপদেষ্টা তৰুণ কাপুৰে কয় যে স্থানীয় নগৰ নিকায় সমূহৰ সামৰ্থ্য বৃদ্ধি অতিকে জৰুৰী। তেওঁ কয় যে সামৰ্থ্য বৃদ্ধিয়ে স্থানীয় নগৰ নিকায়সমূহৰ কৰ্মশক্তিলৈ পৰিৱৰ্তন আনিব পাৰে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সচিব মনোজ যোশী আৰু সামৰ্থ্য বৃদ্ধি আয়োগৰ অধ্যক্ষ আদিল জৈনুলভায়েও অনুষ্ঠানত ভাষণ দিয়ে।

ooooooo

ভাৰতে চীনত অনুষ্ঠিত এছিয়ান গেমছত এতিয়ালৈকে ২১টা সোণ, ৩২ ৰূপ আৰু ৩৩টা ব্ৰঞ্জসহ মুঠ ৮৬টা পদক লাভ কৰিছে। ভাৰত বৰ্তমান প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া ভাৰতৰ বৰ্তমানলৈ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ পূৰ্বে ভাৰতে জাকাৰ্টাত অনুষ্ঠিত অষ্টদশ এছিয়ান গেমছত ৭০টা পদক লাভ কৰিছিল। প্ৰতিযোগিতাৰ আজি দ্বাদশ দিনা ভাৰতৰ পুৰুষ আৰ্চাৰী দলে কম্পাউণ্ড শাখাৰ দলীয় শিতানত দক্ষিণ কোৰিয়াক ২৩৫-২৩০ ফলাফলত পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। ইয়াৰ পূৰ্বে জ্যোতি, পৰনীত আৰু অদিতিয়ে মহিলাৰ আৰ্চাৰীৰ কম্পাউণ্ড শাখাৰ দলীয় শিতানত সোণৰ পদক অৰ্জন কৰে। দলটোৱে চীনা টাইপেইৰ প্ৰতিদ্বন্দ্বীক ২৩০-২২৮ ফলাফলত পৰাস্ত কৰে। একেদৰে দিপীকা পল্লিকল আৰু হৰিন্দৰ পাল সিং সান্ধুৰ যুটিটোৱে স্কোৱাছৰ মিক্সড ডাবল্‌ছত মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। স্কোৱাছৰ পুৰুষৰ ছিংগল্‌ছত সৌৰভ ঘোষাল ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। সৌৰভ আজি ফাইনেলত মালয়েছিয়াৰ ইন-য়াৰ-এনজিৰ হাতত ১-৩ ফলাফলত পৰাজিত হয়। ইপিনে, কাবাডীৰ পুল এৰ এখন খেলত আজি ভাৰতীয় পুৰুষ দলে জাপানক ৫৬-২৮ পইণ্টত পৰাস্ত কৰে। এই জয়ৰ

সুবাদত ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাটো নিশ্চিত হৈছে। ইপিনে, মহিলাৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ এখন খেলত মানসীয়ে দক্ষিণ কোৰিয়াৰ বাৰ্ক জিঅ'নেজক ২-০ ফলাফলত পৰাস্ত কৰে। আনহাতে, মহিলাৰ মল্লযুদ্ধৰ ৫০ কিলোগ্ৰাম ওজন শাখাত পূজা গেহলট কানাডাৰ মল্লযোদ্ধাৰ হাতত ৬-৯ ফলাফলত পৰাভূত হয়। এতিয়া খেলুৱৈগৰাকীয়ে ব্ৰঞ্জৰ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, অন্তিম পংঘালে মহিলাৰ ৫৩ কিলোগ্ৰাম ওজন শাখাত মংগোলিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। বেডমিণ্টনত ভাৰতৰ এইচ এছ্ প্ৰণয়ে মালয়েছিয়াৰ লী-জি-জিয়াক পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ অভূতপূৰ্ব প্ৰদৰ্শনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এলানি পোষ্টযোগে প্ৰধানমন্ত্ৰী মোদীয়ে দেশক গৌৰৱান্বিত কৰা ত্ৰুটিবিহীন প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক অভিনন্দন জনাইছে।

০০০০০০০

**সমাপ্ত**